**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-05-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী ৪টা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড° হিমন্ত বিশ্ব শৰ্মাৰ আজি ওড়িশাত নিৰ্বাচনী প্ৰচাৰ।

২। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনৰ দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা।

৩। দিল্লীত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ সন্মানীয় পদ্ম বঁটা প্ৰদান।

৪। ভেজাল খাদ্য চিনাক্ত আৰু নিয়ন্ত্ৰণৰ বাবে ভাৰতীয় খাদ্য সুৰক্ষা আৰু মান প্ৰাধিকৰণৰ পদক্ষেপ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাব কিংছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ অন্তত পৰৱৰ্তী ৪টা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড° হিমন্ত বিশ্ব শৰ্মা আজি বিজেপিৰ হকে প্ৰচাৰ চলোৱাৰ বাবে ওড়িশালৈ যাব। ড° শৰ্মাই দিনৰ প্ৰায় ১১ বজাত নৱৰংগপুৰ লোকসভা সমষ্টিৰ মলকানগিৰিত এখন জনসভাক সম্বোধন কৰিব। পাছত তেওঁ চিত্ৰাকোন্দা আৰু খল্লিকোটত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলাব।

ইপিনে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি বিয়লি উত্তৰ প্ৰদেশৰ লক্ষ্ণৌ, উন্নাও, মোহনলাল গঞ্জ আৰু ৰায়বৰেলি সংসদীয় সমষ্টিৰ দলীয় কৰ্মীসকলৰ সৈতে বৈঠকত মিলিত হ'ব। তেওঁ লগতে চতুৰ্থ পৰ্যায়ত সামৰি ল'বলগীয়া সমষ্টিসমূহৰ বিধায়ক আৰু বিধায়িনী পৰিষদৰ সদস্যসকলৰ সৈতেও আলোচনাত মিলিত হ'ব। এই বৈঠকৰ পূৰ্বে বিজেপি নেতাগৰাকীয়ে চিত্ৰকূট আৰু ফতেহপুৰ জিলাত নিৰ্বাচনী সভাত ভাগ ল'ব। আনহাতে, সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে আজি বাহৰেইচ, ধৌৰাহৰা আৰু লখিমপুৰ খেৰীত প্ৰচাৰ চলাব। একেদৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি তেলেংগানাৰ ভোনগিৰ লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী ড° বুৰানৰশ্বৈইহা গৌড়ৰ হকে প্ৰচাৰ চলাব।

কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ৰাদ্ৰাই আজি উত্তৰ প্ৰদেশৰ ৰায়বৰেলিত নিৰ্বাচনী প্ৰচাৰত ভাগ ল'ব। একেদৰে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি অন্ধ্ৰ প্ৰদেশৰ নৰ্ছাপুৰ আৰু তেলেংগনাৰ ছৰুৰ নগৰত প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি তেলেংগানাৰ কৰিমনগৰ আৰু ৱাৰাংগলত নিৰ্বাচনী সমাবেশত আৰু অন্ধ্ৰ প্ৰদেশৰ ৰাজমপেট আৰু বিজয়ৱাড়াত ৰোড শ্ব'ত ভাগ লয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেলেংগানাৰ কৰিমনগৰ লোকসভা সমষ্টিৰ ভেমুল্লাবাড়াত স্থানীয় প্ৰাৰ্থী তথা বিজেপিৰ সাধাৰণ সম্পাদক বান্দি সঞ্জয় কুমাৰৰ হকে এখন জনসভাত প্ৰচাৰ চলায়। প্ৰধানমন্ত্ৰীয়ে বি আৰ এছ আৰু তেলেংগানাৰ কংগ্ৰেছ

চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰাৰ লগতে কংগ্ৰেছৰ পৰিয়াল প্ৰথম নীতিৰ বিপৰীতে বিজেপিয়ে ৰাষ্ট্ৰ প্ৰথম নীতিত গুৰুত্ব আৰোপ কৰি আহিছে বুলি মন্তব্য কৰে।

ইপিনে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে কালি মহাৰাষ্ট্ৰৰ জালনাত এখন জনসভাত ভাষণ দিয়ে। ভাষণ প্ৰসঙ্গত গৃহমন্ত্ৰীগৰাকীয়ে দেশৰ সুৰক্ষা, সমৃদ্ধি আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মৰ্যাদা বৃদ্ধিৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ভূমিকাৰ আলোকপাত কৰে।

মহা মিত্ৰজোঁটৰ আৰ জে ডি, কংগ্ৰেছ আৰু বাওঁ দলৰ নেতাসকলেও কালি বিহাৰত নিৰ্বাচনী সভাত ভাগ লয় আৰু ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে ঘৰে ঘৰে গৈ প্ৰচাৰ চলায়। আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ যাদৱে কাৰাকাট সংসদীয় সমষ্টিত অকোঢ়াগোলাত এখন জনসভাত ভাষণ দিয়ে। শ্ৰীযাদৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভাল দিনৰ নামত জনসাধাৰণৰ সৈতে বিশ্বাসঘাটকতা কৰা বুলি অভিযোগ তোলে। তেওঁ কয় যে কেন্দ্ৰত এন ডি এ চৰকাৰৰ ১০ বছৰ শাসন কালৰ পাছত নিবনুৱা সমস্যা বৃদ্ধি পাইছে।

০০০০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত মঙলবাৰে দেশৰ ৯৩টা সমষ্টিত ৬৫ দশমিক ৬-৮ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। তৃতীয় পৰ্যায়ত সামৰি লোৱা ১০ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত অসমত সৰ্বাধিক ৮৫ দশমিক ৪-৫ শতাংশ, বিহাৰত ৫৯ দশমিক ১-৪, ছত্তিশগড়ত ৭১ দশমিক ৯-৮, দাদৰা-নগৰ হাভেলি আৰু দমন-দিউত ৭১ দশমিক ৩-১, গুজৰাটত ৬০ দশমিক ১-৩, কৰ্ণাটকত ৭১ দশমিক ৮-৪ শতাংশ, গোৱাত ৭৬ দশমিক ০-৬, মধ্যপ্ৰদেশত ৬৬ দশমিক ৭-৪, মহাৰাষ্ট্ৰত ৬৩ দশমিক ৫-৫, উত্তৰ প্ৰদেশত ৫৭ দশমিক ৫-৫ আৰু পশ্চিমবংগত ৭৭ দশমিক ৫-৩ শতাংশ ভোটদান হয়।

তৃতীয় পৰ্যায়ত গুজৰাটৰ ২৫টা, কৰ্ণাটকৰ ১৪টা, মহাৰাষ্ট্ৰৰ ১১টা, উত্তৰ প্ৰদেশৰ ১০টা, মধ্যপ্ৰদেশৰ ৯টা, ছত্তিশগড়ৰ ৭টা, বিহাৰৰ ৫টা, অসমৰ ৪টা, পশ্চিমবংগৰ ৪টা, গোৱাৰ দুটা সমষ্টিৰ লগতে কেন্দ্ৰীয় শাসিত দাদৰা-নগৰ হাভেলি আৰু দমন-ডিউৰ এটাকৈ সমষ্টিক সাঙুৰি লোৱা হয়। তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ লগে লগে দেশৰ ২০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ২৮৩টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সামৰণি পৰিল। তৃতীয় পৰ্যায়ত ভোটগ্ৰহণৰ লগে লগে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্য, বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত এলেকা ছত্তিশগড়, মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশতো ভোটগ্ৰহণৰ প্ৰক্ৰিয়া সম্পন্ন হয়।

তৃতীয় পৰ্যায়ত মুঠ এহেজাৰ ৩৩১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা কৰা উল্লেখযোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত- বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ, মনসুখ মন্দাভিয়া, জ্যোতিৰাদিত্য সিন্ধিয়া, প্ৰহ্লাদ যোশী, শিৱৰাজ সিং চৌহান, বাসৱৰাজ বোম্মাই, কংগ্ৰেছ নেতা দিগ্বিজয় সিং আৰু অধীৰৰঞ্জন চৌধুৰী, সমাজবাদী পাৰ্টীৰ ডিম্পল যাদৱ, এন চি পি শাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া সুলে অন্যতম।

০০০০০০

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত ছখন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯টা সমষ্টিৰ বাবে মুঠ ৬৯৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ৰ বাবে মুঠ এহেজাৰ ৫৮৬খন মনোনয়ন পত্ৰ দাখিল কৰা হৈছিল আৰু পৰীক্ষাৰ অন্তত ৭৪৯ খন মনোনয়ন বৈধ বুলি বিবেচিত হৈছে। এই পৰ্যায়ত উত্তৰ প্ৰদেশৰ ১৪ খন, মহাৰাষ্ট্ৰৰ ১৩ খন, পশ্চিমবংগৰ ৭খন, বিহাৰ আৰু ওড়িশাৰ ৫ খনকৈ, ঝাৰখণ্ডৰ তিনিখন, আৰু জম্মু কাশ্মীৰ তথা লাডাখত এখনকৈ আসনৰ বাবে ২০ মে'ত ভোটগ্ৰহণ কৰা হ'ব।

০০০০০০

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনৰ চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলসমূহ আজি ঘোষণা কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমৰ জৰিয়তে এই কথা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে যোৱা ১২ ফেব্ৰুৱাৰীৰ  পৰা ১৩ মাৰ্চলৈ এই পৰীক্ষা অনুষ্ঠিত হৈছিল। এইবাৰৰ পৰীক্ষাত মুঠ ২ লাখ ৮০ হাজাৰ ২১৬ গৰাকী শিক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছে। ইয়াৰে এক লাখ ৩৭ হাজাৰ ৪৮৪ গৰাকী ছাত্ৰৰ বিপৰীতে এক লাখ ৪২ হাজাৰ ৭৩২ গৰাকী ছাত্ৰীয়ে এই পৰীক্ষাত অৱতীৰ্ণ হৈছে। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে মুঠ ৮৭৭টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত কৰিছে। কলা শাখাত ২ লাখ ৬ হাজাৰ ৪৬৭ গৰাকী শিক্ষাৰ্থীৰ বিপৰীতে বিজ্ঞান শাখাত ৫৫ হাজাৰ ২৮৭ গৰাকী শিক্ষাৰ্থী আছে। বাণিজ্য শাখাত ১৭ হাজাৰ ৫৮২ গৰাকী শিক্ষাৰ্থীৰ বিপৰীতে বৃত্তিমুখী শাখাত ৮৮০ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত সন্মানীয় পদ্ম বঁটাসমূহ প্ৰদান কৰিব। দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহ পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী এই তিনিটা শিতানত প্ৰদান কৰা হয়। কলা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, ঔষধ, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া আৰু অসামৰিক সেৱা আদি বিভিন্ন শিতানত পদ্ম বঁটাসমূহ প্ৰদান কৰা হয়। প্ৰতি বছৰে গণতন্ত্ৰ দিৱসৰ দিনা এই বঁটাসমূহ ঘোষণা কৰা হয়। যোৱা ২২ এপ্ৰিলত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে তিনিগৰাকী ব্যক্তিক পদ্মবিভূষণ, ৮ গৰাকীক পদ্মভূষণ আৰু ৫৫ গৰাকী ব্যক্তিক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰিছিল।

০০০০০০

ভাৰতৰ খাদ্য সুৰক্ষা আৰু মান প্ৰাধিকৰণে ভেজাল খাদ্য চিনাক্ত আৰু নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে শেহতীয়াকৈ কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে। এই উদ্দেশ্যে প্ৰাধিকৰণে খাদ্য পৰীক্ষা নিৰ্দেশনা পুথি মুকলি কৰাৰ লগতে খাদ্য পৰীক্ষা কৰা বাহন আৰু কিটৰ জৰিয়তে ভেজাল খাদ্য প্ৰতিৰোধ কৰাৰ ব্যৱস্থা লৈছে।

ভেজাল চিনাক্তকৰণ পুথিৰ সহায়ত উপভোক্তাই ঘৰৰ খাদ্য সামগ্ৰীত সাধাৰণতে হোৱা ভেজাল চিনাক্ত কৰিব পাৰিব। যাৰ সহায়ত গাখীৰ, তেল, চেনি, মছলা আদিৰ ভেজাল চিনাক্ত কৰিব পাৰিব। প্ৰাধিকৰণে **ফুড ছেফ্টী অন হুইলছ** শীৰ্ষক ব্যৱস্থাৰে খাদ্য কঢ়িওৱা ভ্ৰাম্যমান বাহনত খাদ্য সামগ্ৰীৰ ভেজাল ক্ষীপ্ৰতাৰে ধৰা পেলাবলৈ সমৰ্থ হ'ব। ইয়াৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে খাদ্য সুৰক্ষা প্ৰাধিকৰণে **ফুড ছেফ্টী মেজিক বক্স** নামৰ খাদ্য সুৰক্ষা পৰীক্ষা কিট এটা মুকলি কৰিছে। এই কিটৰ সৰু বাকচটোত এখন নিৰ্দেশনা পুথিও দিয়া হৈছে যাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে খাদ্য সামগ্ৰীৰ ভেজাল ধৰা পেলাবলৈ ১০০টা পৰীক্ষা সম্পন্ন কৰিব পাৰিব। সমগ্ৰ দেশৰ জনসাধাৰণৰ মাজত খাদ্য সামগ্ৰীক লৈ সজাগতা সৃষ্টি কৰাৰ বাবে খাদ্য সুৰক্ষা প্ৰাধিকৰণে এনেধৰণৰ ব্যৱস্থা লৈছে।

০০০০০০

কৰ'না ভেকচিনৰ পাৰ্শ্বক্ৰিয়া থকা বুলি সৰ্বত্ৰে হোৱা চৰ্চাৰ পৰিপ্ৰেক্ষিতত ক'ভিশ্বিল্ডৰ প্ৰস্তুতকৰ্তা এষ্ট্ৰাজেনেকা নামৰ কোম্পানীটোৱে এই ভেকচিনবিধ বিশ্বৰ বজাৰৰ পৰা প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰিছে। ব্ৰিটিছ ঔষধ প্ৰস্তুতকৰ্তা কোম্পানীটোৱে এই ভেকচিনবিধৰ ক্ৰয় আৰু বিক্ৰয়ৰ লগতে ইয়াৰ উৎপাদন আৰু যোগান বন্ধ কৰি দিছে বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে এষ্ট্ৰাজেনেকা ভেকচিন ভাৰতত ক'ভিশ্বিল্ড নামে পৰিচিত আছিল।

দ্যা টেলিগ্ৰাফত প্ৰকাশ পোৱা এটা বাতৰি অনুসৰি যোৱা ৫ মাৰ্চত ইউৰোপৰ পৰা এই ভেকচিন ঘূৰাই লোৱাৰ বাবে ভেকচিন উৎপাদনকাৰী কোম্পানীটোৱে আবেদন জনাইছিল আৰু ইয়াক বৰ্তমান কাৰ্যকৰী কৰা হৈছে। ভাৰতত ক'ভিশ্বিল্ড উৎপাদন কৰা ছিৰাম ইনষ্টিটিউটে কয় যে, ২০২১ চনতে ভাৰতত এই ভেকচিনৰ উৎপাদন বন্ধ কৰা হৈছে। উল্লেখযোগ্য যে, ভাৰতৰ অধিকাংশ লোকে ক'ভিশ্বিল্ড ভেকচিন লৈছিল। দেশত এই ভেকচিনৰ ১৭৫ কোটি পালি দিয়া হৈছিল।

ক'ভিশ্বিল্ড উৎপাদনকাৰী প্ৰতিষ্ঠানটোৱে অলপতে লণ্ডনৰ এখন আদালতত তেওঁলোকে উৎপাদন কৰা ক'ৰণা ভাইৰাছৰ ভেকচিন ল'লে বিৰল পাৰ্শ্বক্ৰিয়া হ'ব পাৰে বুলি স্বীকাৰ কৰিছিল। ইয়াৰ পাছতেই বিশ্বজুৰি এই ভেকচিনবিধক লৈ প্ৰতিক্ৰিয়া আৰু বিতৰ্কৰ সৃষ্টি হৈছে। ইফালে ভাৰতত ক'ভিশ্বিল্ডৰ পাৰ্শ্বক্ৰিয়াক লৈ বিভিন্ন লোকে উচ্চতম ন্যায়ালয়ত আবেদন জনাইছিল আৰু ন্যায়ালয়ে এই আবেদনৰ শুনানি গ্ৰহণ কৰিব বুলি সন্মতি জনাইছে। আবেদনকাৰী সকলে ভেকচিনৰ পাৰ্শ্বক্ৰিয়া আৰু আন সাম্ভাব্য ক্ষতিসমূহৰ বিষয়ে জনাৰ বাবে এখন বিশেষজ্ঞ কমিটি গঠনৰো দাবী কৰিছে।

০০০০০০

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ছেম পিট্ৰোডাৰ বৰ্ণবাদী মন্তব্যক লৈ দেশৰ ৰাজনীতি উত্তাল হৈ থকাৰ সময়তে নেতাগৰাকীয়ে পদবীৰ পৰা পদত্যাগ কৰিছে। সংবাদ মাধ্যমক দিয়া এটা সাক্ষাৎকাৰত নেতাগৰাকীয়ে পূব ভাৰতৰ লোকসকলক চীনা লোকৰ নিচিনা, পশ্চিম ভাৰতৰ লোকসকলক শ্বেতাংগৰ নিচিনা আৰু দক্ষিণ ভাৰতৰৰ লোকক আফ্ৰিকাৰ লোকৰ নিচিনা দেখি বুলি তেওঁ বৰ্ণবাদী মন্তব্য প্ৰকাশ কৰিছিল। নেতাগৰাকীৰ এই মন্তব্যক কংগ্ৰেছে গ্ৰহণযোগ্য নহয় বুলি দলৰ ফালৰ পৰা স্পষ্ট কৰি দিয়ে। দলটোৱে কয় যে, ভাৰতৰ বৈচিত্ৰ্যক লৈ ছেম পিট্ৰোডাই দিয়া উপমা একেবাৰে ভুল আৰু সেয়া মুঠেও গ্ৰহণযোগ্য নহয়। ভাৰতীয় জাতীয় কংগ্ৰেছ তেওঁৰ এই মন্তব্যৰ পৰা সম্পূৰ্ণৰূপে নিলগত অৱস্থান কৰিছে বুলি কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

ছেম পিট্ৰোডাৰ বৰ্ণবাদী মন্তব্যক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি বিভিন্ন ৰাজনৈতিক নেতাই গৰিহণা দিছে। চৌদিশে হোৱা প্ৰতিক্ৰিয়াৰ ফলত ইণ্ডিয়ান অভাৰছিছ কংগ্ৰেছৰ অধ্যক্ষৰ পদৰ পৰা ছেম পিট্ৰোডাই পদত্যাগ কৰিছে। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই তেওঁৰ পদত্যাগ গ্ৰহণ কৰে।

০০০০০০

অতিৰিক্ত আৰক্ষী অধীক্ষক কল্যাণ পাঠকৰ নেতৃত্বত বিশেষ কাৰ্যবাহিনীৰ এটা দলে গোপন সূত্ৰৰ পম খেদি আজি পুৱা বকোৰ পৰা ৩০ পেকেট হেৰ'ইন জব্দ কৰে। জব্দ কৰা নিচাযুক্ত দ্ৰব্যখিনিৰ ওজন ৪২০ গ্ৰাম হ'ব বুলি অনুমান কৰা হৈছে। নিচাযুক্ত দ্ৰব্য কঢ়িয়াই অনা বাহনদুখন পৰৱৰ্তী আইনী ব্যৱস্থাৰ বাবে বকো আৰক্ষী চকীত চমজাই দিয়া হৈছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ধৰমশালাত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱানিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ১০ উইকেট পৰাস্ত কৰে। খেলখনত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ১৬৫ ৰাণ সংগ্ৰহ কৰে।

লক্ষ্ণৌৰ হৈ আয়ুষ বডোনিয়ে ৩০টা বলত ৫৫ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। নিকোলাছ পুৰাণে ৪৮ ৰাণৰ বৰঙণি আগবঢ়ায়। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ভুৱনেশ্বৰ কুমাৰে দুটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৯ অভাৰ আৰু চাৰিটা বলত এটাও উইকেট নেহেৰুৱাকৈ ১৬৭ ৰাণ কৰে। হায়দৰাবাদৰ অপেনাৰ অভিষেক শৰ্মা আৰু ট্ৰেভিছ্ হেডে ক্ৰমে ৭৫ আৰু ৮৯ ৰাণ কৰে। ট্ৰেভিছ্ হেডক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

ব্ৰহ্মপুত্ৰ উপত্যকাৰ সংখ্যালঘু বসতিপ্ৰধান অঞ্চলবোৰত লোকসভা নিৰ্বাচনত ব্যাপক হাৰত ভোটদান হোৱাক লৈ দৈনিক অসম কাকতে সংখ্যালঘু অঞ্চলত ভোটৰ যোৱাৰ, ব্ৰহ্মপুত্ৰ উপত্যকাৰ ১২তা বিধানসভা সমষ্টিত ৯০ শতাংশৰো অধিক ভোটদান, নিউ গুৱাহাটী সমষ্টিত ভোটদানৰ হাৰ সৰ্বনিম্ন শীৰ্ষৰে দৈনিক অসম কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যত তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত ৮৫.৪৫%ৰ ভোটদানেৰে দেশৰ ভিতৰত এই হাৰ সৰ্বাধিক হোৱাক লৈ গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে স্থান দিছে। কংগ্ৰেছৰ জেষ্ঠ্য নেতা ছাম পিট্ৰডাৰ বৰ্ণবাদী মন্তব্যক লৈ অব্যাহত থকা প্ৰতিক্ৰিয়া আৰু মন্তব্যৰ মাজতে নেতাগৰাকীয়ে Indian Overseas Congressৰ সভাপতি পদৰ পৰা পদত্যাগ কৰাক লৈ কাকত সমূহে ভিন ভিন শিৰোনামেৰে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আস্ত্ৰাজেনেকাৰ কৰ'ণা ভাইৰাছৰ ভেকচিন Covishield ৰ পাৰ্শ্ব ক্ৰিয়াক লৈ সমগ্ৰ বিশ্বত ইয়াৰ ক্ৰয় বিক্ৰয় বন্ধ কৰাক কৈ কাকতসমূহে বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে। নলবাৰীৰ জিলা আয়ুক্তৰ আতিশয্যত অতিষ্ঠ হৈ নিৰ্বাচনী কৰ্তব্যত নিয়োজিত জিলাখনৰ এগৰাকী ৰাজহ চক্ৰ বিষয়াই এজহাৰ দাখিল কৰাক লৈ কাকতসমূহে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। হাৰিয়ানাত সংখ্যালঘূত পৰিণত হোৱা বিজেপি চৰকাৰক বিৰোধীয়ে বৰ্খাস্তৰ দাবী জনাইছে আৰু কংগ্ৰেছক JJPৰ ১০ জন বিধায়কে সমৰ্থন আগবঢ়াইছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কৰ্মচাৰী বিদ্ৰোহত কালি বিমান পৰিবহণকাৰী সংস্থা AIR India-ই প্ৰায় ৯০ খনকৈ বিমানৰ উৰণ বাতিল কৰাক লৈ বিমানযাত্ৰী সকলে অসুবিধাৰ সন্মুখীন হোৱাক লৈ আমাৰ অসম কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। লোকসভা নিৰ্বাচনৰ ফলাফলৰ পিছতেই ৰাজ্যই সম্ভাব্য বিধানসভাৰ উপ নিৰ্বাচন আৰু ৰাজ্য সভাৰ উপ নিৰ্বাচনক লৈ দৈনিক জনমভূমি আৰু নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত এটা বাতৰি পৰিবেশন কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে: বৰাকত পুনৰ ছোৱাইন ফ্লুত শিশুৰ মৃত্যু, ৬৫ বছৰত হিন্দু জনসংখ্যা ৬% হ্ৰাস, অইলৰ তৈলক্ষেত্ৰত পুনৰ অঘটন, ভাগি পৰিল বিতৰ্কিত জন এনাৰ্জীৰ ড্ৰিলিং ৰিগ, দুগ্ধ উৎপাদনত শোচনীয় প্ৰদৰ্শন অসমৰ, বৰাক উপত্যকাত Petrol Diselৰ নাটনি, মজুত আছে মাত্ৰ ৮ হাজাৰ লিটাৰ ইন্ধন, নামনি সোৱণশিৰিত কাৰিকৰী বাধাত পিচুৱালে বিদ্যুৎ উৎপাদনৰ লক্ষ্য গেলেকী বনাঞ্চলৰ ভূমিত বেটেলিয়ন শিবিৰ স্থাপনত অনুমোদন সন্দৰ্ভত দিছপুৰৰ পৰা প্ৰতিবেদন বিচাৰিলে কেন্দ্ৰীয় বন মন্ত্ৰালয়ে ইত্যাদি। এয়াই আছিল গুৱাহাটীৰ পৰা আজি প্ৰকাশিত বাতৰিকাকত সমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত